1 (Sem–5/FYUGP) ASS 43 MJ

**2025**

ASSAMESE

( Major )

Paper : ASS0500304

( প্ৰাচীন ভাৰতীয় আৰু মধ্য-ভাৰতীয় আৰ্যভাষাৰ ৰূপৰেখা )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) ভাৰতীয় আৰ্যসকলৰ সৰ্বপ্ৰাচীন গ্ৰন্থখনৰ নাম কি?

(খ) 'পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য' গ্ৰন্থখনৰ ৰচক কোন?

(গ) পাণিনি ৰচিত 'অষ্টাধ্যায়ী' নামেৰে পৰিচিত ব্যাকৰণখনৰ প্ৰকৃত নাম কি?

(ঘ) অশোকৰ গিৰ্নাৰ অনুশাসনত প্ৰাকৃতৰ কোনটো উপভাষাৰ (আঞ্চলিক প্ৰাকৃত) ৰূপ ৰক্ষিত হৈছে?

(ঙ) 'ধম্মপদ' মুঠ কিমানটা বগ্‌গৰ (বৰ্গৰ) সমষ্টি ?

(চ) সংস্কৃত ভাষাৰ স্বৰ আৰু ব্যঞ্জনধ্বনিৰ মূল উৎস কি ?

(ছ) সংস্কৃতৰ 'ঋ' ধ্বনি প্ৰাকৃতত 'অ' ধ্বনিলৈ পৰিৱৰ্তন হোৱাৰ এটা উদাহৰণ দিয়া।

(জ) পৰৱৰ্তী অক্ষৰত থকা উচ্চ স্বৰধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰৰ নিম্ন স্বৰধ্বনি উচ্চ স্বৰধ্বনিলৈ পৰিৱৰ্তন হোৱা প্ৰক্ৰিয়াক কি বোলা হয় ?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কোনটো শাখাৰ লোকে নিজকে 'আৰ্য' বুলি গৌৰৱ কৰিছিল ? এই 'আৰ্য' শব্দৰ অৰ্থ কি ?

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(গ) ভৌগোলিক বিস্তৃতিৰ ফালৰ পৰা অপভ্ৰংশ বা অৱহট্‌ঠ ভাষাক কি দুটা বহল ভাগত ভগাব পাৰি ?

(ঘ) 'ধম্মপদ' কোনখন পিটকৰ, কোন নিকায়ৰ অন্তৰ্গত গ্ৰন্থ ?

(ঙ) 'গাহাসত্তসঈ'ৰ সংকলক কোন ? গ্ৰন্থখন কোনটো সাহিত্যিক প্ৰাকৃতত ৰচিত ?

(চ) অপভ্ৰংশ ভাষাত ৰচিত দুখন গ্ৰন্থৰ নাম লিখা।

(ছ) সংস্কৃত ব্যাকৰণত 'অযোগৱাহ' বৰ্ণ হিচাপে কোন দুটা বৰ্ণক অভিহিত কৰা হয় ?





(জ) সংস্কৃতৰ কোন দুই প্ৰকাৰ ব্যঞ্জনধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য লুপ্ত হৈ অসমীয়াত দন্তমূলীয় ধ্বনি হিচাপে উচ্চাৰণ হয় ?

(ঝ) কোনো শব্দত ওচৰা-উচৰিকৈ থকা একেধৰণৰ অক্ষৰৰ এটা লোপ হোৱাক কি বুলি কোৱা হয় ? এটা উদাহৰণ দিয়া।

(ঞ) সংস্কৃত 'মৃত্তিকা' শব্দৰ ৰূপ প্ৰাকৃত আৰু অসমীয়া ভাষাত কি হিচাপে পোৱা যায়, উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) বৈদিক আৰু সংস্কৃত ভাষাৰ ধ্বনিতাত্ত্বিক পাৰ্থক্য

(খ) মগধীয় ভাষাগুচ্ছ

(গ) প্ৰাকৃতত ৰচিত গীতি-কাব্য

(ঘ) সংস্কৃতৰ দ্বি-স্বৰৰ পালি-প্ৰাকৃতত হোৱা পৰিৱৰ্তন

(ঙ) পালি-প্ৰাকৃত ভাষাত অপিনিহিতি

(চ) 'সংনেহ ৰাসউ' কাব্যৰ ভাষাগত বৈশিষ্ট্য

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰসমূহ কাল অনুযায়ী দেখুৱাই যি কোনো এটা স্তৰৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰা।

(খ) 'পালি' নামৰ তাৎপৰ্য ব্যাখ্যা কৰি পালি সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা।

(গ) শতক কাব্য কি? 'নীতি শতক' কাব্যৰ ৰচক, ৰচনাৰ সময় আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঘ) সংস্কৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ সৈতে পালি-প্ৰাকৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ এক তুলনামূলক আলোচনা যুগুত কৰা।

(ঙ) ধ্বনিগত পৰিৱৰ্তন বুলিলে কি বুজা? সংস্কৃতৰ পৰা বিকাশ হৈ পালি-প্ৰাকৃতৰ উদ্ভৱ হওঁতে কেনেধৰণৰ উচ্চাৰণমূলক পৰিৱৰ্তন হৈছিল, চমুকৈ লিখা।

★★★